# Meeting of EAM with the Chinese Foreign Minister

September 11, 2020

---

# বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ চীনা বৈদেশিক মন্ত্ৰীৰ সৈতে বৈঠক

ছেপ্টেম্বৰ 11, 2020

1. বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে চীনৰ ৰাজ্যিক মন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী ৱাং য়িৰ সৈতে ১০ ছেপ্টেম্বৰ ২০২০ তাৰিখে মস্কোত সাম্প্ৰতিক ভাৰত-চীন সীমান্তৰ অশান্তিৰ বিষয়ত এখনি বিস্তৃত বৈঠকত মিলিত হয়। এই বৈঠক আঢ়ৈ ঘন্টাজুৰি চলে।

2. বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে কয় যে ১৯৭৬ চনত ৰাজদূত পৰ্যায়ৰ সম্পৰ্কসমূহ পুনৰ স্থাপন কৰাৰ আৰু ১৯৮১ চনত সীমা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হোৱাৰ পিছত ভাৰত-চীন সম্পৰ্কই এক বৃহত্তৰ ইতিবাচক গতি লৈছে। যিসময়ত ঠায়ে ঠায়ে বিভিন্ন ঘটনা সংঘটিত হৈ আছে, সীমান্ত অঞ্চলত শান্তি আৰু সম্প্ৰতি অটুট হৈ আছে। ফলস্বৰূপে, ভাৰত-চীন সহযোগিতাই তেওঁলোকৰ মাজৰ সম্পৰ্কক অধিক গাঢ় কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰসমূহৰ বিশাল ৰূপত বিকাশ সাধন হৈছে| ভাৰতীয় পক্ষই চিহ্নিত কৰিছে যে এই সীমান্তৰ বিষয়টোৰ সমাধানৰ বাবে সময় আৰু প্ৰচেষ্টাৰ প্ৰয়োজন আৰু লগতে এই কথাও প্ৰভাৱ পেলাইছে। সেইগতিকে, সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এক তাৎক্ষণিক সমাধান দুয়োখন দেশৰ বাবেই উপকাৰী হ'ব।

3. এই বৈঠকত ভাৰতীয় পক্ষই চীনা সেনাৰ দ্বাৰা অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা উলংঘন কৰাৰ বিষয়টোৰ প্ৰতি ভাৰতৰ তীব্ৰ উদ্বেগৰ কথা ব্যক্ত কৰে। সেনাবাহিনীৰ এনে বিশাল সংখ্যাত উপস্থিতি আৰু প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত ক্লেছ পইন্টৰ সৃষ্টি কৰাটো ১৯৯৩ আৰু ১৯৯৬ চনৰ চুক্তি অনুসৰি উলংঘনীয়| এনে সৈন্য-বাহিনী মোতায়েন সম্পৰ্কে চীনা পক্ষই কোনো প্ৰত্যয়যোগ্য স্পষ্টীকৰণ দিয়া নাই। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ আশে-পাশে চীনা সেনাৰ দ্বাৰা সংঘটিত হোৱা বিভিন্ন সংঘৰ্ষমূলক ঘটনাই দেশখনৰ দ্বি-পাক্ষিক চুক্তি আৰু নিয়মসমূহৰ প্ৰতি অৱজ্ঞাক সূচায়। ভাৰতীয় পক্ষই স্পষ্ট ৰূপত অৱগত কৰিছে যে তেওঁলোকে সীমাৰেখাৰ চুক্তিসমূহৰ ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰ কামনা কৰে আৰু একপক্ষীয় ৰূপে এই নীতিসমূহত উলংঘা কৰাৰ কোনো প্ৰচেষ্টা মানি নলয়। তেওঁলোকে এই কথাটো জোৰ দিয়ে যে ভাৰতীয় সৈন্যই সীমান্তৰ পৰিচালনাৰ সৈতে জড়িত সকলো চুক্তি আৰু নীতি সুক্ষ্মতাৰে অনুসৰণ কৰিছে।

4. এই ক্ষেত্ৰত তাৎক্ষণিক কাম হ'ব সকলো সংঘৰ্ষমূলক এলেকাত সৈন্য-বাহিনীসমূহক আঁতৰাই অনাটো নিশ্চিত কৰা।ভৱিষ্যতে কোনো অপ্ৰীতিকৰ পৰিস্থিতি নহ'বৰ বাবে এনে কৰাটো অতি প্ৰয়োজনীয়। সেনাধক্ষ্যসকলে সীমান্তৰ পৰা সৈন্য-বাহিনীসমূহক আঁতৰাই তেওঁলোকৰ স্থায়ী ঠাইসমূহলৈ মোতায়েন কৰা প্ৰক্ৰিয়াসমূহ সম্পন্ন কৰিব।

5. তেওঁলোকৰ আলোচনাৰ শেষত, মন্ত্ৰীদ্বয়ে পাঁচোটা বিষয়ত এক চুক্তিত উপনীত হয় যিয়ে তেওঁলোকক সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত সহায় কৰিব।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 11, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.